# পাতনি

মহাকাব্যৰ যুগৰে পৰা সাহিত্যৰ পাতত পঢ়ি অহা সীতা, দ্ৰৌপদী, কুন্তী, তাৰা, উৰ্মিলা, মন্দোদৰী আদি মহাকাব্যিক চৰিত্ৰসমূহৰ পঠন-পাঠন আৰু বিশেষকৈ দূৰদৰ্শনৰ মাধ্যমেৰে সিবোৰৰ শ্ৰৱণ-দৰ্শনে শৈশৱৰে পৰা আমাক 'নাৰীচেতনা' বিষয়টিৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিছিল। 'অসমীয়া বিষয়'ক প্ৰধান হিচাপে লৈ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত পাঠ গ্ৰহণ কৰোঁতে চৰিত সাহিত্য, বুৰঞ্জী সাহিত্য আদিত প্ৰাপ্ত নাৰী চৰিত্ৰবিশেষৰ শক্তিশালী ভূমিকাই সেই আগ্ৰহত সাৰ-পানী যোগালে। গৱেষণাৰ সুযোগ পোৱাৰ লগে লগে সেয়েহে তত্ত্বাৱধায়কৰ প্ৰেৰণা আৰু আমাৰ আগ্ৰহক জুমুঠি কৰি এইটো বিষয়কে থাপ মাৰি ধৰিলোঁ।

'চেতনা' শব্দই সচেতন বা জাগ্ৰত অৱস্থাক নিৰ্দেশ কৰে। 'নাৰীচেতনা' শব্দটোৰ সহজ অৰ্থ হৈছে নাৰীৰ নিজৰ আৰু সমাজৰ প্ৰতি চিন্তা আৰু ভাব প্ৰকাশৰ স্বাধীন দৰ্শন।

পাশ্চাত্যত বহু পূৰ্বতেই নাৰীৰ অধিকাৰৰ সপক্ষে জাগৰণৰ সৃষ্টি হৈছিল যদিও ভাৰতবৰ্ষত ঊনবিংশ আৰু বিংশ শতিকাৰ সময়ছোৱাতহে নাৰীকেন্দ্ৰিক জাগৰণৰ সৃষ্টি হয়। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰাটো ভাল হ'ব যে বেদৰ যুগত ঘোষা, অপালা, লোপামুদ্ৰা আদি মহীয়সী নাৰীসকলে প্ৰায় সকলো দিশতে পুৰুষৰ সমানে স্বাধীনতা লাভ কৰিছিল। যিহেতুকে উচ্চস্তৰীয় সামাজিক কাম-কাজত নাৰীক অংশ ল'বলৈ দিয়া হৈছিল, সেয়েহে সেই সময়ত নাৰীৰ নাৰীচেতনাৰ দিশটো অতি প্ৰবল আছিল।

ক্ৰমান্বয়ে আৰ্যতান্ত্ৰিক পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰীক ঘৰৰ চাৰিবেৰৰ মাজলৈ লৈ অনা হ'ল, পৰ্দা প্ৰথাৰ দৰে কু-ব্যৱস্থাৰ প্ৰচলন হ'ল। নাৰী নিৰ্যাতনৰ বিভিন্ন ঘটনা মূৰ দাঙি উঠিল। সীতাৰ অগ্নি-পৰীক্ষা আৰু দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ দৰে ঘটনা মহাকাব্যসমূহত ব্যঞ্জিত হ'ল। পুৰুষশাসিত সমাজ-ব্যৱস্থাত নাৰীচেতনাৰ দিশবোৰ লাহে লাহে পুৰুষৰ নিৰ্যাতনত পিষ্ট হৈ পৰিল। বিশ্ব সাহিত্যত যুগে যুগে নাৰীৰ প্ৰতি সৃষ্টি হোৱা নিত্য-নতুন ধাৰণাবোৰৰ প্ৰতিফলন ঘটিবলৈ আৰম্ভ কৰিলে। অসমীয়া সাহিত্যলৈকো তাৰ ধল বাগৰি আহিল।

বিংশ শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকৰপৰা অসমীয়া সাহিত্যত, বিশেষকৈ উপন্যাস সাহিত্যত নাৰীৰ নানান সমস্যা, অধিকাৰ আৰু কল্যাণৰ কথা আলোচিত হ'বলৈ ধৰে যদিও এইখিনি পুৰুষ সাহিত্যিকৰ কলমেৰেহে প্ৰকাশ হৈছিল। ক্ৰমান্বয়ে মহিলা সাহিত্যিকসকলে নাৰীৰ দৃষ্টিৰে নাৰীক তেওঁলোকৰ উপন্যাসত অংকন কৰিবলৈ আৰম্ভ কৰাৰে পৰা নাৰীচেতনাৰ বিভিন্ন দিশবোৰৰ সাৰ্থক ৰূপায়ণ ঘটা বুলি ক'ব পাৰি।

যুদ্ধোত্তৰ কালত আধুনিক জীৱন-প্ৰণালী সৃষ্টিৰ লগে লগেই মানৱ সমাজলৈ নানান পৰিৱৰ্তন আহিল। নাৰীসকল যিহেতু সমাজৰ অভিন্ন অংগ, স্বাভাৱিকতেই এনেবোৰ পৰিৱৰ্তনে তেওঁলোকক প্ৰত্যক্ষভাৱেই স্পৰ্শ কৰিলেহি। নাগৰিক জীৱনৰ অগ্ৰগতিৰ লগে লগে নাৰী স্বাতন্ত্ৰ্য, শিক্ষা, প্ৰতিষ্ঠা, ক্ষমতা, আকাংক্ষা, ক্ষোভ, নিজস্বতা আদি বিষয়সমূহৰো উক্‌মুকনি আৰম্ভ হ'ল। প্ৰেম, মমতা, কল্যাণকামিতা, সৌন্দৰ্যৰ আৰাধনা, ধৈৰ্য, সহানুভূতি, সংবেদনশীলতা আদি নাৰী ভাবনাৰ বিভিন্ন দিশক ব্যক্তিত্ব নিৰ্মাণ আৰু বিকাশৰ চেতনাই আগুৰি ধৰিলে। সাহিত্যৰ পাতত সেইবোৰৰ বৰ্ণনা লিপিবদ্ধ হ'ল আৰু নাৰীচেতনাক কেন্দ্ৰ কৰিও বিবিধ গল্প, কবিতা, উপন্যাস আদি ৰচিত হ'বলৈ ধৰিলে। নাৰীচেতনাৰ সাৱলীল পৰীক্ষা-নিৰীক্ষাৰে পুষ্ট এনে কেইখনমান উপন্যাসৰ মাজেৰে চিত্ৰায়িত নাৰীমনৰ বিভিন্ন দিশ আৰু ব্যক্তিগত তথা সামাজিক জীৱনৰ প্ৰতি তেওঁলোকৰ সচেতন মনৰ কৰ্ষণেৰে জীপ পোৱা চেতনা আৰু সেই চেতনাই সমসাময়িক সমাজ জীৱনলৈ কঢ়িয়াই আনিব পৰা বিভিন্ন দিশ সম্পৰ্কীয় অধ্যয়নকে আমাৰ গৱেষণাৰ সাৰ অংশ হিচাপে গ্ৰহণ কৰা হৈছে।

এইখিনিতে এটা কথা উনুকিয়াই থোৱাটো উচিত হ'ব যে এই গৱেষণা সম্পূৰ্ণ বিদ্যায়তনিক আৰু নিৰ্দিষ্ট সময়সাপেক্ষ। সেয়েহে সময়ৰ পৰিসীমাৰ ভিতৰত থাকি গৱেষণাকাৰ্য শেষ কৰিবলগীয়া হোৱা হেতুকে ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ আটাইবোৰ উপন্যাসক গৱেষণাৰ আওতালৈ অনা হোৱা নাই। তত্ত্বাৱধায়কৰ লগত হোৱা আলোচনা আৰু নিজস্ব অধ্যয়নৰ ওপৰত ভিত্তি কৰি যিকেইখন উপন্যাসত 'নাৰীচেতনা'ৰ সমলসমূহে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছে, কেৱল সেইকেইখনকহে সাঙুৰি লোৱা হৈছে। গৱেষণাৰ নিৰ্দিষ্ট গণ্ডীৰ মাজত থাকি আমাৰ বিষয় সম্পৰ্কে প্ৰণালীবদ্ধভাৱে আলোচনা আগবঢ়াবলৈ অহোপুৰুষাৰ্থ কৰিছোঁ যদিও এই কথাও বিনম্ৰতাৰে

স্বীকাৰ কৰাটো সমীচীন হ'ব যে "একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনেৰে)" সম্পৰ্কে আমাৰ এই অধ্যয়নেই শেষ নহয়। আশা কৰোঁ আমাৰ এই অধ্যয়নে ভৱিষ্যতৰ আগ্ৰহী গৱেষক আৰু অনুসন্ধিৎসু ব্যক্তিসকলক অধ্যয়নৰ বাবে নতুন চিন্তাৰ উন্মেষ ঘটাব। গৱেষণা-গ্ৰন্থখনি যুগুত কৰোঁতে অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিবোৰ বিজ্ঞজনে আঙুলিয়াই দিলে কৃতাৰ্থ হ'ম।

**(সুনীতা শৰ্মা)**